| | | |
|---|---|---|
| সৰল ধাতু ঃ | চেলেক্ | চেকুৰ্ |
| | চেৰা | ভেকুৰ্ |
| | জিৰা | বখলিয়া |
| | ৰেপ্ | গোৰা |
| | আগচ্ | চেপ্ |
| | | গচক্, ইত্যাদি।[২] |

যৌগিক ধাতু ঃ খাম্ বান্ধ
গবা মাৰ্
বিৰ দি
থলামুৰি মাৰ্

**আৰবী-ফাৰ্চী মূলীয় ধাতু ঃ**
বদল্
জম্

**অজ্ঞাত মূলৰ পৰা অহা ধাতু ঃ**
ঠেল্, তু, ভোজ, ঠেল্
সান্, তু, ভোজ, সান্[৩] আদি।

উল্লিখিত ধাতুবোৰৰ পৰাও সৰল আৰু যৌগিক বিভিন্ন ধৰণৰ ক্ৰিয়াপদ গঠন কৰিব পাৰি।

ওপৰত অসমীয়া ভাষাৰ ধাতুবোৰৰ যি সংক্ষিপ্ত পৰিচয় দাঙি ধৰা হ'ল, তাৰপৰা দেখা যায় যে ধাতুৰ গঠন আৰু তাৰ বিভাজনত অসমীয়া ভাষাটোৰ এক নিজস্ব বৈশিষ্ট্য আছে। সংস্কৃত ধাতুৰ যি গণবিভাজন আৰু সেই বিভাজন অনুযায়ী ধাতুবোৰৰ যি ৰূপ, সেয়া অসমীয়া বা আন কোনো নব্য ভাৰতীয় আৰ্য ভাষাতে ৰক্ষিত হোৱা নাই। কিন্তু সংস্কৃত দহোটা গণৰ অন্তৰ্গত কিছুমান ধাতু অসমীয়াত মৌলিক ধাতুৰূপত ৰক্ষিত হৈছে আৰু সেইবোৰ অসমীয়া ধাতুৰূপৰ নিয়মানুযায়ী ৰূপ হয়। উদাহৰণ স্বৰূপে, সংস্কৃত ক্ৰ্যাদিগনীয় ধাতু ক্ৰী-ৰ পৰা অসমীয়া কিন্ ধাতু, দিবাদি গণীয় বুধ্ ধাতুৰ পৰা অসমীয়া বুজ্, ৰুধাদিগণীয় ভুজ্ ধাতুৰপৰা অসমীয়া ভুঞ্জ আৰু তনাদিগণীয় কৃ ধাতুৰপৰা অসমীয়া কৰ্ ধাতু গঢ়লৈ উঠিছে ; কিন্তু সংস্কৃত গণৰ বৈশিষ্ট্য এইবোৰ ধাতুত নাই। এইবোৰ অসমীয়া ভাষাৰ মৌলিক ধাতু আৰু আন মৌলিক ধাতুৰ দৰে এইবোৰো পুৰুষ আৰু কাল অনুযায়ী ৰূপ হয়।